# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 09-07-2025 **Time :** 21-25 Hrs

### ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাঙৰ সদৰ কাজলগাঁৱত জিলা বিজেপিৰ নৱ নিৰ্মিত কাৰ্যালয় গৃহ মুকলি কৰে। ইয়াৰ পাছত তেওঁ বিজেপিৰ কাৰ্যকৰ্তা সন্মিলনত অংশ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সমাগত বিটিচি পৰিষদীয় নিৰ্বাচনত বিজেপিয়ে এইবাৰ অকলে অৱতীৰ্ণ হ'ব বুলি প্ৰকাশ কৰে। ইয়াৰ বাবে দলীয় কাৰ্যকৰ্তাসকলক সকলো বুথক শক্তিশালী কৰিবলৈ তেওঁ আহ্বান জনায়।

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে চিৰাঙত জনকল্যানমূলক আঁচনিসমূহৰ অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। তেওঁ কয়, যে জিলাখনত বিগত সময়ছোৱাত ৩০ হাজাৰ লোক অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত হৈছে আৰু এইবাৰ ৬০ হাজাৰ হিতাধিকাৰীয়ে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিব।

০০০০

শিশুৰ বৌদ্ধিক উত্তৰণ তথা প্ৰতিভা বিকাশৰ লক্ষ্যৰে অসম প্ৰকাশন পৰিষদে প্ৰথমবাৰৰ বাবে কাইলৈৰ পৰা ২০ জুলাইলৈ গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত গুৱাহাটী শিশু মহোৎসৱৰ আয়োজন কৰিছে। এই মহোৎসৱত শিশু গ্ৰন্থমেলা, সাংস্কৃতিক প্ৰতিযোগিতাকে ধৰি কেইবাটাও কাৰ্যসূচী থাকিব। এই উপলক্ষে আজি অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত অসম প্ৰকাশন পৰিষদে আজি এখন সংবাদ মেলৰ আয়োজন কৰে। কাইলৈ বিয়লি ৩ বজাত শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৱে এই শিশু মহোৎসৱ উদ্বোধন কৰিব বুলি পৰিষদৰ সচিব প্ৰমোদ কলিতাই প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট শিশু সাহিত্যিক শান্তনু তামুলী আৰু পশ্চিমবংগৰ বিশিষ্ট লেখক সিজাৰ বাগচি সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। শিশু মহোৎসৱৰ গ্ৰন্থমেলাত ইতিমধ্যে ৩০ টা গ্ৰন্থ প্ৰতিষ্ঠানে তেওঁলোকৰ শিশু সাহিত্য সম্ভাৰ লৈ অংশগ্ৰহণ নিশ্চিত কৰিছে বুলি শ্ৰীকলিতাই অৱগত কৰে। উল্লেখযোগ্য যে গুৱাহাটী শিশু মহোৎসৱৰ বিশেষ আকৰ্ষণ হিচাপে প্ৰতিদিনে বিয়লি ৪ বজাত শিশু চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। ৰাছিয়াৰ ছবি **ক্ৰ'মে প্ৰভিনো,** আৰ্মেনিয়াৰ ছবি **দ্যা ছং অৱ ফ্লাইং লিভচ্**কে ধৰি কেইবাখনো দেশী-বিদেশী শিশু চলচ্চিত্ৰ এই মহোৎসৱত প্ৰদৰ্শন কৰা হব।

০০০০

অনুজ্ঞাপত্ৰৰ চৰ্তাৱলী উলংঘা কৰাৰ অভিযোগত দৰং জিলা প্ৰশাসনে আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ মঙলদৈৰ ৪ টা তেল ডিপ' সাময়িকভাৱে বন্ধ কৰি দিছে। বিভাগীয় সূত্ৰৰ উদ্ধৃতিৰে আমাৰ দৰঙৰ সংবাদদাতাই

জনোৱা মতে, জিলা আয়ুক্তৰ নিৰ্দেশত খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত জিলা আয়ুক্তই বিভাগীয় বিষয়াৰ সৈতে তদন্ত চলাওতে এই ডিপ'কেইটাই অনুজ্ঞাপত্ৰৰ চৰ্তাৱলী উলংঘা কৰাটো প্ৰতীয়মান হয়। পাছত অতিৰিক্ত জিলা আয়ুক্তৰ প্ৰতিবেদনৰ ভিত্তিত জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে পুনৰ নিৰ্দেশ নিদিয়া পৰ্যন্ত এই তেল ডিপ'কেইটা বন্ধ ৰখাৰ নিৰ্দেশ জাৰি কৰে।

০০০০

চাহ শ্ৰমিকসকলৰ প্ৰাপ্য অধিকাৰ সন্দৰ্ভত ছয় দফীয়া দাবীৰে আজি অসম চাহ মজদুৰ সংঘই ৰাজ্যৰ প্ৰতিখন চাহ বাগিছাতে ধৰ্ণা কাৰ্যসূচী ৰূপায়ন কৰে। ভূটিয়াচাং চাহ বাগিছাত মঙলদৈ শাখাৰ সভাপতি শান্তিয়ুচ কুজুৰৰ নেতৃত্বত চাহ শ্ৰমিকৰ দৈনিক মজুৰী বৃদ্ধি, উপ কৰ্মচাৰীসকলৰ মজুৰী বৃদ্ধিৰ বাবে চুক্তি স্বাক্ষৰ, বাগিছাৰ শ্ৰমিকসকলক মাটিৰ পট্টা প্ৰদান, সময়মতে ঘৰ আৰু শৌচালয় নিৰ্মাণ তথা মেৰামতি কৰা আদি বিভিন্ন দাবীৰে শ্ৰমিকসকলে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে পাছত বাগিছা কৰ্তৃপক্ষক তেওঁলোকৰ দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰে।

০০০০

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত আজিৰে পৰা অসমৰ নৃগোষ্ঠীয় সাংস্কৃতিক সমন্বয় আৰু বিনিময় অভিযান শীৰ্ষক দ্বিতীয় পৰ্যায়ৰ আৱাসিক কৰ্মশালা অনুষ্ঠিত হৈছে। কলাক্ষেত্ৰৰ চৌহদত অনুষ্ঠিত এই কৰ্মশালাত বিভিন্ন জনগোষ্ঠীৰ ১২০ গৰাকী যুৱ শিল্পীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত ১৮ গৰাকী সমল ব্যক্তিয়ে প্ৰশিক্ষণ প্ৰদান কৰিব। আজিৰ উদ্বোধনী অনুষ্ঠানত কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰে এই কাৰ্যসূচীৰ তাৎপৰ্য ব্যাখ্যা কৰে। এই কৰ্মশালাত টাই খামিয়াং, ডালু, জেমি নগা আৰু ৰাংখল জনগোষ্ঠীৰ শিল্পীসকলে ভাগ লৈছে। আজিৰ কাৰ্যসূচীত মূলতঃ ৰাংখল আৰু ডালু জনগোষ্ঠী তথা টাই খামিয়াং আৰু জেমি নগা জনগোষ্ঠীৰ শিল্পীসকলে পৰস্পৰে পৰস্পৰৰ নৃত্যশৈলীৰ দীক্ষা গ্ৰহণ কৰে।

০০০০

ডিব্ৰুগড় জিলাৰ কুটুহা গাওঁ পঞ্চায়তৰ ভগামুৰ তিনিআলি গাঁৱৰ মথাউৰিৰ পাৰত আজি এটা মৃতদেহ উদ্ধাৰ কৰা হয়। উদ্ধাৰ কৰা মৃতদেহটো অঞ্চলটোৰ ২৯ বছৰীয়া যুৱক বিতোপন হাজৰিকা বুলি চিনাক্ত কৰা হৈছে। কালিৰে পৰা সন্ধানহীন হৈ থকা যুৱকজনৰ মৃতদেহ আজি তেওঁৰ জ্যেষ্ঠ ভাতৃয়ে পানীত উপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰে। পাছত সেই স্থানত আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰনোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

০০০০

ছিংগাপুৰত চলি থকা বিশ্ব ৰেংকিং লাইন ছিটি কাপ লন বল প্ৰতিযোগিতাত অসমৰ পুতুল সোণোৱালে ৰূপৰ পদক জয়ী কৰিছে। লন বলৰ পুৰুষ যুটীত পুতুলে ঝাৰখণ্ডৰ দীনেশ কুমাৰৰ সৈতে খেলি ৰূপৰ পদক জয় কৰিবলৈ সমৰ্থ হয়। অসম লন বল সন্থাই খেলুৱৈ দুগৰাকীক এই সাফল্যৰ বাবে অভিনন্দন জনাইছে।

০০০০

বজালী জিলাৰ পূব বৰালা গাওঁ নিৱাসী বিশিষ্ট সমাজসেৱী মদন চন্দ্ৰ ৰয়ৰ আজি দুপৰীয়া বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেঁওৰ বয়স হৈছিল ৮৪ বছৰ। তেঁওৰ মৃত্যুত মন্ত্ৰী অতুল বৰা, কেশৱ মহন্ত, ৰণজিৎ কুমাৰ দাসকে ধৰি কেইবাগৰাকী সাংসদ, বিধায়ক তথা অনুষ্ঠান - প্ৰতিষ্ঠানে শোকপ্ৰকাশ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ